**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সংসদত গৃহীত হৈছে। ৰাজ্যসভাই প্ৰায় ১২ ঘণ্টা জোৰা আলোচনাৰ অন্তত যোৱানিশা বিধেয়কখনত অনুমোদন জনায়। উচ্চ সদনত ১২৮ গৰাকী সদস্যই সংশোধনী বিধেয়কখনৰ সপক্ষে আৰু ৯৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰে। লোকসভাত ইতিমধ্যে বিধেয়কখন গৃহীত হৈছে।

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ৰ মূল উদ্দেশ্য হৈছে- ঐতিহ্যস্থলীসমূহৰ সুৰক্ষা আৰু সামাজিক কল্যাণ সুনিশ্চিত কৰা। এই বিধেয়কখনৰ জৰিয়তে ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ ব্যৱস্থাপনাৰ দিশটো অধিক স্বচ্ছ কৰি তোলাৰ লগতে ৱক্‌ফ পৰিষদ আৰু স্থানীয় কৰ্তৃপক্ষসমূহৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ বিচৰা হৈছে। বিধেয়কখনত মুছলমান মহিলা বিশেষকৈ স্বামীহাৰা আৰু বিবাহ বিচ্ছেদিত মহিলাসকলৰ আৰ্থ-সামাজিক স্থিতিৰ উন্নয়নৰ ব্যৱস্থা আছে।

বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে মুছলমান সম্প্ৰদায়ৰ দুখীয়া লোকসকল বিধেয়কখনৰ পৰা উপকৃত হ'ব আৰু ইয়াৰ পৰা এগৰাকী মুছলমানৰো ক্ষতি নহয়। তেওঁ কয়, যে বিধেয়কখনে ৱক্‌ফ সা-সম্পত্তি কোনো ধৰণে হস্তক্ষেপ নকৰে। নৰেন্দ্ৰ মোদী চৰকাৰে সবকা সাথ, সবকা বিকাশ দৃষ্টিভংগীৰে কাম কৰি আহিছে আৰু চৰকাৰখনে কোনো সম্প্ৰদায়ৰ সৈতে ভেদভাৱ নকৰে বুলি শ্ৰীৰিজিজুৱে মন্তব্য কৰে। তেওঁ কয়, যে যুটীয়া সংসদীয় সমিতিয়ে সাংসদসকলৰ মতামত গুৰুত্ব সহকাৰে বিবেচনা কৰিছে আৰু তেওঁলোকৰ দিহা-পৰামৰ্শও বিধেয়কখনত অন্তৰ্ভুক্ত কৰা হৈছে।

oooooooo

ৰাজ্যত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া  পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়া কালি আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈছে।

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। আয়ুক্ত জয় শিৱানীয়ে জিলাখনত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ৰাজনৈতিক দল, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ৰাইজৰ সহযোগিতা কামনা কৰে।

শিৱসাগৰ জিলাতো নিৰ্বাচন সন্দৰ্ভত জিলা আয়ুক্তই এখন সংবাদমেল আয়োজন কৰি জিলাখনৰ ৫টা আঞ্চলিক পঞ্চায়ত, ১২ খন জিলা পৰিষদৰ ৮২টা গাঁও পঞ্চায়তৰ তথ্য সদৰি কৰে।

ধুবুৰী জিলাৰ আয়ুক্ত দিবাকৰ নাথে কালি পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত সংবাদমেল আয়োজন কৰি জিলাখনৰ মুঠ ১২৮ খন গাঁও পঞ্চায়তৰ লগতে ২০ খন জিলা পৰিষদ আৰু ১০ খন আঞ্চলিক গাঁও পঞ্চায়তত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে। এহেজাৰ ৪৬৫টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ হ'বলগীয়া জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ১০ লাখ ৪৩ হাজাৰ ১৯৩ জন বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ একবিংশতিতম কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিৱেশনৰ আয়োজন কৰা হৈছে। আজি পুৱা মূল তোৰণ উন্মোচন, পতাকা উত্তোলন, ছহিদ তৰ্পণ, সতীৰ্থ স্মৰণেৰে অধিবেশন আৰম্ভ কৰা হ'ব। এই অধিৱেশনতে পৰিষদৰ নতুন কেন্দ্ৰীয় সমিতি গঠন কৰা হ'ব। অধিৱেশনৰ অংশ হিচাপে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ সমাহাৰেৰে শোভাযাত্ৰা উলিওৱা হ'ব।

০০০০০০০

অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক বাৰ্ষিক অধিৱেশন আজিৰেৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ঢকুৱাখনাৰ হোমেন বৰগোহাঞি ক্ষেত্ৰত অনুষ্ঠিত হ'ব। অসম বিজ্ঞান সমিতিৰ সভাপতি ডঃ ধীৰেশ্বৰ কলিতাই পতাকা উত্তোলন কৰি প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ কৰিব। স্মৃতি তৰ্পণ, বিজ্ঞান প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰাৰ পাছত বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি নবীন শিক্ষাবিদ ডঃ মনোজ কুমাৰ পাটোৱাৰীয়ে তিনিওটা দিনৰ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। দিনৰ ভাগত কৃত্ৰিম বুদ্ধিমত্তা আৰু ইয়াৰ ভৱিষ্যত শীৰ্ষক বিশেষ বক্তৃতানুষ্ঠানত বিশিষ্ট বিজ্ঞানী ডঃ ইফটাক হুছেইন সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। একেদৰে কৰ্কট ৰোগ সম্পৰ্কীয় সজাগতামূলক আলাপত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডঃ প্ৰণয় ফুকনে অংশ ল'ব। বিয়লিৰ ভাগত জনপ্ৰিয় বক্তৃতানুষ্ঠান অন্তৰংগ আলাপ আৰু 'পৰিৱৰ্তিত কৃষি ব্যৱস্থা তথা জৈৱ বৈচিত্ৰ সংৰক্ষণ' শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। সন্ধিয়া কাৰ্যনিৰ্বাহক সভা আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। কাইলৈ স্বাস্থ্য সজাগতা অনুষ্ঠানৰ লগতে মুগা শিল্প সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। সেইদিনাই স্মাৰক গ্ৰন্থ আৰু অন্যান্য গ্ৰন্থ উন্মোচন কৰা হ'ব। তৃতীয় দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে অন্তৰংগ আলাপ অনুষ্ঠানত বিশিষ্ট গৱেষক বিজ্ঞানী ডঃ অৰূপ কুমাৰ মিশ্ৰ আৰু ডঃ জয়দীপ বৰুৱা উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**